৮ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ৰাজ্যিক সূচীৰ পৰা 'বন' আৰু বন্যপ্ৰাণী বিষয় দুটি সমৱৰ্তী সূচীলৈ হস্তান্তৰিত কৰা হয়।

খ) স্বাস্থ্যজনিক পৰিৱেশৰ অধিকাৰ ২১ নং অনুচ্ছেদত লিপিবদ্ধ আছে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ সম্পৰ্কীয় মৌলিক অধিকাৰবোৰ হ'ল—

- স্বাস্থ্যসম্মত পৰিৱেশৰ অধিকাৰ (অনুচ্ছেদ ২১) ঃ আইনে কোনো ব্যক্তিক জীৱন আৰু সম্পদৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। এই অনুচ্ছেদৰ দ্বাৰা জনসাধাৰণক স্বাস্থ্য সন্মত পৰিৱেশ সুৰক্ষাৰ ব্যৱস্থা কৰে।
- জীৱিকাৰ অধিকাৰ (অনুচ্ছেদ ২১) ঃ এই অনুচ্ছেদৰ দ্বাৰা দুখীয়া জনসাধাৰণৰ জীৱন আৰু জীয়াই থকাৰ অধিকাৰ সুনিশ্চিত কৰে। চৰকাৰে যাতে কোনো ক্ষেত্ৰতে এনে লোকক বঞ্চিত কৰিব নোৱাৰে তাৰ নিশ্চয়তা প্ৰদান কৰে।
- সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪) ঃ ৰাষ্ট্ৰই সকলো নাগৰিককে সমান আইন আৰু সমান ৰক্ষণাবেক্ষণ দিবলৈ বাধ্য।
- বেপাৰ বাণিজ্যৰ অধিকাৰ {অনুচ্ছেদ ১৯(১)(g)} ঃ প্ৰত্যেক জনসাধাৰণৰ নিজৰ পচন্দ অনুযায়ী জীৱিকা গ্ৰহণ, ব্যৱসায় বাণিজ্য কৰাৰ অধিকাৰ আছে। এই অধিকাৰ ভোগ কৰাৰ সময়ত জনসাধাৰণে পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা কৰিবলৈ বাধ্য।



১১.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ ৫ জুন তাৰিখটো কিয় 'বিশ্ব পৰিৱেশ' দিৱস হিচাপে পালন কৰা হয়? আপোনাৰ নিজস্ব মতামত দিয়ক।

প্ৰশ্ন ৩ ঃ উদাহৰণ সহ পৰিৱেশ সংৰক্ষণৰ ভাগকেইটা আলোচনা কৰক?

প্ৰশ্ন ৪ ঃ ভাৰতবৰ্ষৰ সংবিধানৰ ৪২ তম সংশোধনীটো পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত কিয় গুৰুত্বপূৰ্ণ?

খ) দীঘল প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পৰিৱেশ সংৰক্ষণৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা আইনী ব্যৱস্থাসমূহ আলোচনা কৰক ।

প্ৰশ্ন ২ ঃ পৰিৱেশ সংৰক্ষণৰ বাবে থকা সাংবিধানিক ব্যৱস্থাসমূহ ব্যাখ্যা কৰক।

*** ***** ***